# সম্পদ

**১)সম্পদ বুলিলে কি বুজা ? সম্পদৰ প্ৰধান ভাগ কেইটা আৰু কি কি ? লিখা ।**

**উত্তৰ-** মানুহৰ দৈনন্দিন জীৱনৰ চাহিদা পূৰাবলৈ বিভিন্ন সা-সামগ্ৰী বা দ্ৰব্যৰ প্ৰয়োজন হয় । মানুহৰ এনে প্ৰয়োজন পূৰাবলৈ কোনো উৎসৰ পৰা আহৰণ কৰিব পৰা দ্ৰব্য বা সামগ্ৰীয়ে সম্পদ ।

সম্পদ তিনি প্ৰকাৰৰ-

1) প্ৰাকৃতিক সম্পদ

2) মানৱ সম্পদ


3) মানৱ সৃষ্ট সম্পদ

**২। 'মানৱ শ্ৰেষ্ঠতম জৈৱিক সম্পদ ।' যুক্তি দশাই লিখা ( এশ শব্দৰ ভিতৰত)।**

**উত্তৰ-** শাৰিৰীক বা মানসিকভাৱে কোনো উৎপাদনমূলক কাম কৰিবলৈ সক্ষম ব্যক্তিসকলেই মানৱ সম্পদ ।বুদ্ধি-বৃত্তি থকা প্ৰাণী হিচাপে মানুহে নিজৰ উন্নয়ন সাধিব পাৰে । মানুহে প্ৰকৃতিক সম্পদসমূহৰো উপযুক্ত ব্যৱহাৰ,সংৰক্ষণ আদিৰ ক্ষেত্ৰত বুদ্ধি-বৃত্তি খটুৱাই উৎকৰ্ষ সাধন কৰিব পাৰে । সেই ফালৰ পৰা চাবলৈ হলে ব্যক্তিৰ বুদ্ধিমত্তা,কৰ্মদক্ষতা আৰু কৌশল,উৎপাদন ক্ষমতা আৰু কৰ্মৰ আচৰণবিধিয়ে দেশ
এখনৰ সমৃদ্ধিৰ বা উন্নতিৰ প্ৰধান কাৰক বুলিব পাৰি । সেয়েহে মানুহেই শ্ৰেষ্ঠতম জৈৱিক সম্পদ ।

**৩। তুমি জনা প্ৰাকৃতিক সম্পদসমূহ কি কি ? সেইবোৰৰ সংৰক্ষণ ব্যৱস্থা সম্পৰ্কে চমুকৈ লিখা ।**

উত্তৰ-




- **নবীকৰণক্ষম সম্পদ** - যিবোৰ সম্পদ মানুহে অহৰহ ব্যৱহাৰ কৰি থাকিলেও শেষ হৈ নাযায়, তেনে সম্পদকেই নবীকৰণক্ষম সম্পদ বোলে ।
- **অ-নবীকৰণক্ষম সম্পদ** -অ-নবীকৰণক্ষম সম্পদ প্ৰকৃতিৰ পৰা এবাৰ আহৰণ কৰাৰ পিছত পুনৰ সৃষ্টি নহয় আৰু প্ৰকৃতিয়ে এইবোৰ পুনৰ উৎপাদন নকৰে ।
- **জৈৱিক সম্পদ** -জীৱ জগতৰ পৰা আমি যি সম্পদ আহৰণ কৰো সেয়াই জৈৱিক সম্পদ ।
- **অজৈৱিক সম্পদ** -জীৱহীন সম্পদবোৰেই অজৈৱিক ।
- **সৰ্বব্যাপী সম্পদ**- সকলোতে পোৱা সম্পদবোৰই সৰ্বব্যাপী সম্পদ ।
- **স্হানভিত্তিক সম্পদ** -এক নিৰ্দিষ্ট পৰিবেশ আৰু অৱস্হাত সম্পদ সমূহেই স্হানভিত্তিক সম্পদ ।
- **প্ৰকৃত সম্পদ**-মানুহে সদব্যৱহাৰ কৰি আৰু কামত লগাই প্ৰকৃতিৰ পৰা ইতিমধ্যে যিবোৰ সম্পদ আহৰণ কৰিছে সেইবোৰেই প্ৰকৃত সম্পদ।
- **সম্ভাৱনাপূৰ্ণ সম্পদ**-যিবোৰ সম্পদৰ আমাৰ ভৱিষ্যত উন্নয়নত সহায় কৰাৰ সম্ভাবনীয়তা অধিক আৰু বৰ্তমান ইয়াৰ ব্যৱহাৰে তেনে সম্ভাবনীয়তাৰে উমান দিয়ে, সেইবোৰেই সম্ভাৱনাপূৰ্ণ সম্পদ ।

| প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্হা | | |
|---|---|---|
| জল সংৰক্ষণ | শক্তি সংৰক্ষণ | ভূমি সংৰক্ষণ |
| • পানী সংৰক্ষণৰ বাবে আমি কি কি কৰিব পাৰো ?<br>• অবাবত পানী ব্যৱহাৰ নকৰা আৰু ব্যৱহাৰ নোহোৱা সময়ত পানীৰ নলী বন্ধ কৰি অপচয় ৰোধ কৰা<br>• বৰষুণৰ পানী জমা কৰি পুনৰ ব্যৱহাৰ কৰিব পৰা ব্যৱস্হা কৰা<br>• শোধিত পানী জলসিঞ্চনত ব্যৱহাৰ কৰা<br>• ঘৰুৱা আৰু উদ্যোগ উভয় ক্ষেত্ৰতে পানী ব্যৱহাৰত মিতব্যয়ী হোৱা | • সৌৰশক্তি, পৰমাণু শক্তি আদি বৈকল্পিক শক্তি সম্পদক দৈনন্দিন প্ৰয়োজনীয় শক্তি হিচাপে ব্যৱহাৰ কৰা<br>• উত্তম কৰ্মক্ষম ইন্ধন ব্যৱহাৰ কৰা<br>• শক্তি আহৰণত ইন্ধনৰ অপব্যৱহাৰ নকৰা ( খাৰুৱা তেল শক্তি ৰ উৎস ।এই খাৰুৱা তেল উৎপাদন কৰিবলৈ কে অধিক পৰিমাণে ইন্ধন দৰকাৰ হোৱা মেছিন বা যন্ত্ৰপাতি কৰা ব্যৱহাৰ অনুচিত।<br>• যথাসম্ভৱ কম পৰিমাণে জীৱাশ্ম ইন্ধন ব্যৱহাৰ কৰা। যেনে- কয়লা,খাৰুৱা তেল আৰু প্ৰকৃতিক গেছ তাৰ পৰিবৰ্তে আমি সৌৰশক্তি আৰু জলবিদ্যুতৰ দ্বাৰা আহৰণ কৰা শক্তি ব্যৱহাৰ কৰা উচিত। | • এঢলীয়া ঠাইত খাজ কাটি ভূমিৰ ক্ষয় ৰোধ কৰা<br>• প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ কেতবোৰ ব্যৱস্হা<br>• ঘাঁহ, মাহজাতীয় আদি ভূমিক্ষয় প্ৰতিৰোধী উদ্ভিদ ৰোপণ কৰা।<br>• প্ৰাকৃতিকভাৱে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি খাদ্যশস্য উৎপাদন কৰা উচিত |

**৪। দীৰ্ঘম্যাদী উন্নয়ন বুলিলে কি বুজা? দীঘম্যাদী উন্নয়ন কি প্ৰয়োজন? লিখা ।**

**উত্তৰঃ** মানুহৰ জীৱনৰ প্ৰয়োজনীয়তা বৰ্তমান আৰু ভৱিষ্যত উভয়তে পূৰাব পৰা ব্যৱস্হাই দীৰ্ঘম্যাদী উন্নয়ন বুজায়।

আমাৰ দৈনন্দিন কামকাজত ব্যৱহাৰ হৈ থকা প্ৰায় বিলাক সম্পদ সসীম। অৰ্থাৎ এইবোৰ অবিৰতভৱে ব্যৱহাৰ কৰি থাকিলে পৃথিৱীৰ পৰা নিঃশেষ হৈ যোৱাৰ সম্ভাৱনা থাকে । গতিকে সম্পদবোৰ আমাৰ হাতত উপলব্ধ হৈ থকা অৱস্হাত সেই বিষয়ত চিন্তাচৰ্চা কৰাৰ স্হল আছে । আনকি সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু বিতৰণ নহলে উঠি অহা প্ৰজন্মই সেই সম্পদৰ সুবিধাখিনি নোপোৱাৰে সম্ভাৱনা অধিক । এইবোৰ বিষয় চালি জাৰি চাই কব পাৰি যে সম্পদ সংৰক্ষণৰ বাবে দীৰ্ঘম্যাদী উন্নয়ন প্ৰয়োজনীয়তা আছে ।

**৫। পাথৰ্ক্য লিখি উলিওৱাঃ**

**(ক) নবীকৰণক্ষম সম্পদ আৰু অ-নবীকৰণক্ষম সম্পদ**

যিবোৰ সম্পদ মানুহে অহৰহ ব্যৱহাৰ কৰি থাকিলেও শেষ হৈ নাযায়, তেনে সম্পদকেই নবীকৰণক্ষম সম্পদ বোলে | যেনে-মাটি,পানী,বায়ু |
অ-নবীকৰণক্ষম সম্পদ প্ৰকৃতিৰ পৰা এবাৰ আহৰণ কৰাৰ পিছত পুনৰ সৃষ্টি নহয় আৰু প্ৰকৃতিয়ে এইবোৰ পুনৰ উৎপাদন নকৰে |
যেনে- খনিজ পদাৰ্থ,তাম,লো,জীৱাশ্ম

**(খ) সৰ্বব্যাপী সম্পদ আৰু স্থানভিত্তিক সম্পদ**

সকলোতে পোৱা সম্পদবোৰক সৰ্বব্যাপী সম্পদ বোলে |যেনে – বায়ু
এক নিৰ্দিষ্ট পৰিবেশ আৰু অৱস্হাত স্হানভিত্তিক সম্পদ সমূহ পোৱা যায় |যেনে – লোৰ আকৰ,কয়লা |

**(গ) প্ৰকৃত সম্পদ আৰু সম্ভাৱনাপূৰ্ণ সম্পদ**

মানুহে সদব্যৱহাৰ কৰি আৰু কামত লগাই প্ৰকৃতিৰ পৰা ইতিমধ্যে যিবোৰ সম্পদ আহৰণ কৰিছে সেইবোৰেই প্ৰকৃত সম্পদ | যেনে-কয়লা |

যিবোৰ সম্পদৰ আমাৰ ভৱিষ্যত উন্নয়নত সহায় কৰাৰ সম্ভাবনীয়তা অধিক আৰু বৰ্তমান ইয়াৰ ব্যৱহাৰে তেনে সম্ভাবনীয়তাৰে উমান দিয়ে, তেনে সম্ভাৱনাপূৰ্ণ সম্পদ বোলে | যেনে-বনৌষধি ক্ষেত্ৰত থকা সম্ভাৱনা |

**৬। শুদ্ধ উত্তৰটোত শুদ্ধ চিন দিয়াঃ**

**(ক) সম্পদ হবলৈ হলে তলৰ কোনটো প্ৰয়োজন নহয় ?**

**(i) পৰিমাণ**

**(ii) প্ৰয়োজন পূৰাব পৰা সামগ্ৰী**

**(iii) ব্যৱহাৰৰ বাবে উপযোগী**

**উত্তৰ-(i)** পৰিমাণ

**(খ) তলৰ কোনটো মানৱসৃষ্ট সম্পদ  নহয়?**

**(i) পৰ্বত- পাহাৰ**

**(ii) থকা ঘৰ**

**(iii) জলবিদ্যুত**

**উত্তৰ-(i)** পৰ্বত পাহাৰ

**৭। তোমাৰ বাসস্থানৰ চৌপাশে থকা প্ৰাণী আৰু উদ্ভিদবোৰৰ তালিকা প্ৰস্তুত কৰা আৰু সেইবোৰৰ সংৰক্ষণ কিয় প্ৰয়োজন লিপিবদ্ধ কৰা ।**

উত্তৰ-

| জীৱ-জন্তু | সংৰক্ষণ কিয় প্ৰয়োজন | উদ্ভিদ | সংৰক্ষণ কিয় প্ৰয়োজন |
|---|---|---|---|
| পোহনীয়া জীৱ জন্তু যেনে-গৰু,মহ | গাখীৰ (খাদ্য পাওঁ) | আমগছ,কঠাল | ফল,আশ্ৰয়,খৰি,কাঠ |
| ছাগলী,গাহৰি | মাংস (খাদ্য পাওঁ) | কলগছ | ফল |
| কুকুৰ | পহৰাৰ বাবে | হালধি,নিম, নৰসিংহ ইত্যাদি | ঔষধ প্ৰস্তুতকৰণত,খাদ্যৰ বাবে |
| বনৰীয়া জীৱজন্তু যেনে- বাঘ,সিংহ, শিয়াল,হাতী ,গড়,বনৰীয়া গাহৰী, হৰিণ,ভালুক | পৰিবেশত ভাৰসাম্যতা ৰক্ষা কৰিবলৈ | নাহৰ,চোম,হোলোং,মেকাই, ইউকেলিপটাছ, | কাঠ-খৰি,জীৱ জন্তুৰ আশ্ৰয়স্হলী,সা-সামগ্ৰী নিৰ্মাণৰ বাবে কাঠ |
| বিভিন্ন প্ৰজাতিৰ মাছ | খাদ্যৰ বাবে | বিভিন্ন ফুলগছ- গোলাপ,তগৰ, শেৱালি,জবা, কাঞ্চন | সৌন্দৰ্যবৰ্ধন আৰু সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰিবলৈ |
| | | | (উদাহৰণস্বৰূপে দিয়া হৈছে ) |